**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-08-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

০০০০০০০০০

১। সংসদৰ উভয় সদনৰ কাম-কাজ আজি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হয়।

২। ৰাজ্যসভাত আজি শাসকীয় পক্ষই উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ৰ বিষয়ে কৰা অসংসদীয় মন্তব্যৰ বাবে সমাজবাদী পাৰ্টীৰ সদস্য জয়া বচ্চনৰ বিৰুদ্ধে এটা নিন্দাসূচক প্ৰস্তাৱ উত্থাপন কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে ভাৰত-বাংলাদেশ সীমান্তৰ সাম্প্ৰতিক স্থিতি নিৰীক্ষণৰ বাবে এখন কমিটি গঠন কৰিছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু নিউজিলেণ্ডৰ দুদিনীয়া সফল ভ্ৰমণ সামৰি টিমোৰ লেষ্ট অভিমুখে ৰাওনা হৈছে।

*আৰু*

৫। ভাৰতীয় মল্লযোদ্ধা অমন শ্বেৰাৱট আজি পেৰিছ অলিম্পিকৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ ব্ৰঞ্জৰ পদকৰ যুঁজত অৱতীৰ্ণ হ'ব।

০০০০০

সংসদৰ উভয় সদনৰ কাম-কাজ আজি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে ১১৫ ঘণ্টা ধৰি চলা এই অধিবেশনৰ সময়ছোৱাত ১৫খন বৈঠক অনুষ্ঠিত হয়। তেওঁ কয় যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২৩ জুলাইত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিছিল আৰু বাজেটক লৈ সদনত ২৭ ঘণ্টা আৰু ১৯ মিনিট ধৰি আলোচনা অনুষ্ঠিত হৈছিল। তেওঁ কয় যে অধিবেশনৰ সময়ছোৱাত ১২খন বিধেয়ক উত্থাপন কৰা হয় আৰু ইয়াৰে চাৰিখন লোকসভাত গৃহীত হয়। গৃহীত বিধেয়ককেইখনৰ ভিতৰত বিত্ত বিধেয়ক, বিনিয়োজন বিধেয়ক, জম্মু-কাশ্মীৰ বিনিয়োজন বিধেয়ক আৰু ভাৰতীয় বায়ু যান বিধেয়ক আছে। অধিবেশনৰ সময়ছোৱাত লোকসভাত ১৩৬ শতাংশ কাম-কাজ সম্পাদন হোৱা বুলি অধ্যক্ষ বিৰলাই প্ৰকাশ কৰে। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে কয় যে উচ্চ সদনত কেন্দ্ৰীয় বাজেটক লৈ প্ৰায় ২২ ঘণ্টা অনুষ্ঠিত হয়। তেওঁ কয় যে অধিবেশনৰ সময়ছোৱাত প্ৰায় ৯০ ঘণ্টা ধৰি সদনৰ বৈঠক অনুষ্ঠিত হয়। সভাপতিগৰাকীয়ে সংসদৰ পৰৱৰ্ত্তী অধিবেশন প্ৰত্যেকগৰাকী সদস্য আৰু দেশৰ বাবে লাভজনক হ'ব বুলি আশা প্ৰকাশ কৰে। ২২ জুলাইত আৰম্ভ হোৱা সংসদৰ বাজেট অধিবেশন অহা সোমবাৰে সামৰণি পৰাৰ কথা আছিল।

০০০০০

ৰাজ্যসভাত আজি শাসকীয় পক্ষই উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ৰ বিষয়ে কৰা অসংসদীয় মন্তব্যৰ বাবে সমাজবাদী পাৰ্টীৰ সদস্য জয়া বচ্চনৰ বিৰুদ্ধে এটা নিন্দাসূচক প্ৰস্তাৱ উত্থাপন কৰে। সদনৰ নেতা তথা কেন্দ্ৰীয়

স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই এই প্ৰস্তাৱ উত্থাপন কৰে। তেওঁ কয় যে বিৰোধী পক্ষৰ মন্তব্য অসংসদীয় আৰু অতিকে আপত্তিজনক। শ্ৰীধনখড়ে জয়া বচ্চনৰ মন্তব্যক লৈ আপত্তি দৰ্শাই কৈছে যে কাকোৱে সভাপতিৰ গৰিমাৰ লাঘৱৰ অনুমতি প্ৰদান কৰা নহ'ব। তেওঁ বিশেষকৈ জয়া বচ্চনে সভাপতিৰ ভাষা, সুৰ আৰু স্বভাৱ সম্পৰ্কে কৰা মন্তব্যক লৈ আপত্তি দৰ্শায়। শাসকীয় পক্ষৰ সদস্যসকলেও জয়া বচ্চনৰ মন্তব্যক লৈ আপত্তি প্ৰদৰ্শন কৰে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে বিৰোধী পক্ষৰ সদস্যসকলে সদন ত্যাগ কৰে। ইয়াৰ পাছতে কেইবাগৰাকীও সদস্য আৰু মন্ত্ৰীয়ে বিৰোধী পক্ষৰ সমালোচনা কৰি কয় যে তেওঁলোকে সদন আৰু সভাপতিৰ মৰ্যাদা লাঘৱ কৰাৰ চেষ্টা চলাইছে। বিষয়টো লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি প্ৰশ্নকালৰ কাম-কাজো সম্পন্ন কৰিব পৰা নহ'ল আৰু সদনৰ কাম-কাজ তিনিবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে বিৰোধী পক্ষৰ আচৰণ অগ্ৰহণ যোগ্য আৰু তেওঁলোকে সভাপতিৰ ওচৰত ক্ষমা খোজা উচিত। প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ নেতা এইছ ডি দেৱেগৌড়াই কয় যে সদনৰ সদস্য হিচাপে সভাপতিৰ সিদ্ধান্ত আৰু আপীলৰ সন্মান কৰা উচিত।

কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমশীলতা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধৰীয়ে কয় যে সভাপতিৰ সিদ্ধান্ত মানি চলাটো প্ৰতিগৰাকী সদস্যৰ কৰ্তব্য আৰু বাৰে বাৰে সিদ্ধান্ত পালন নকৰা সদস্যসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। জে ডি ইউৰ কাৰ্যকৰী সভাপতি সঞ্জয় কুমাৰ ঝাই বিৰোধী পক্ষৰ সদস্যসকলে সভাপতিক সতীৰ্থ বুলি কোৱাটো অপমানজনক আখ্যা দিয়ে আৰু জয়া বচ্চনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় কৃষি ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰেও দলৰ স্থিতিৰ অনুৰূপ মন্তব্য দিয়ে। সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ৰাম দাস আঠাৱালে এই ঘটনাটোক কলা দিৱস বুলি অভিহিত কৰে আৰু বিৰোধী পক্ষক ক্ষমা খুজিবলৈ দাবী জনায়। বি আৰ এছৰ সাংসদ কে আৰ সুৰেশ ৰেড্ডী আৰু এন চি পি নেতা প্ৰফুল পেটেলেও সভাপতিৰ বিৰুদ্ধে কৰা মন্তব্যক গৰিহণা দিয়ে।

ইয়াৰ পূৰ্বে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ডি এম কে, আৰ জে ডি আৰু বিৰোধী পক্ষৰ আন আন দলৰ সদস্যসকলে জয়া বচ্চনৰ মন্তব্যক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ মাজত সদন ত্যাগ কৰে।

শূণ্য কাল সম্পূৰ্ণ হোৱাৰ পাছত সভাপতি জগদীপ ধনখড়ে বিজেপিৰ ঘণশ্যাম তিৱাৰীয়ে বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে কৰা আপত্তিজনক মন্তব্যক লৈ বিবৃতি দি থকাৰ সময়ত সমাজবাদী পাৰ্টীৰ সদস্য জয়া বচ্চনে সভাপতিৰ বিৰুদ্ধে মন্তব্য দিয়ে। শ্ৰীধনখড়ে এই মন্তব্যক লৈ আপত্তি দৰ্শাই কয় যে তেওঁৰ আচৰণ সদনৰ গৰিমাৰ পৰিপন্থী।

ooooo

কেন্দ্ৰীয় চৰকাৰে ভাৰত-বাংলাদেশ সীমান্তৰ সাম্প্ৰতিক স্থিতি নিৰীক্ষণৰ বাবে এখন কমিটি গঠন কৰিছে। এই কমিটিখনে বাংলাদেশত থকা ভাৰতীয় নাগৰিক তথা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ বৰ্তাই ৰাখিব। সীমান্ত সুৰক্ষা বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডৰ অতিৰিক্ত সঞ্চালক প্ৰধানক কমিটিখনৰ মুৰব্বী হ'ব আৰু সীমান্ত সুৰক্ষা বাহিনীৰ দক্ষিণ বংগৰ সীমান্ত মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, সীমান্ত সুৰক্ষা বাহিনীৰ ত্ৰিপুৰা সীমান্ত মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, ভাৰতীয় ভূ-বন্দৰ প্ৰাধিকৰণৰ উন্নয়ন আৰু পৰিকল্পনা শাখাৰ সদস্য আৰু ভাৰতীয় ভূ-বন্দৰ প্ৰাধিকৰণৰ সচিবগৰাকীক কমিটিখনত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত আয়োজন কৰা অলিম্পিক কুইজৰ বিজয়ীসকলৰ নাম ঘোষণা কৰা হৈছে। কামৰূপৰ বিহদিয়াৰ সঞ্জয় কৃষ্ণই প্ৰথম, গুৱাহাটীৰ জটিয়াৰ অৰূপ কলিতাই দ্বিতীয়, কামৰূপৰ ৰঙিয়াৰ ছৈয়দ নজৰুল ইছলামে তৃতীয়, গুৱাহাটীৰ ফাঁচী বজাৰৰ উৎপল দাসে চতুৰ্থ আৰু নলবাৰীৰ ধমধমাৰ ছৈয়দ নবী উল্লাই পঞ্চম স্থান লাভ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু নিউজিলেণ্ডৰ দুদিনীয়া সফল ভ্ৰমণ সামৰি টিমোৰ লেষ্ট অভিমুখে ৰাওনা হৈছে। ৰাষ্ট্ৰপতি মুৰ্মু কাইলৈ পুৱাৰ ভাগত টিমোৰ লেষ্টৰ ৰাজধানী ডিলিত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

ooooo

ভাৰত ত্যাগ আন্দোলনৰ আজি ৮১ সংখ্যক বাৰ্ষিকী। ১৯৪২ চনৰ ৯ আগষ্টত এই আন্দোলন আৰম্ভ কৰা হৈছিল। ভাৰত ত্যাগ আন্দোলনৰ বাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাত্মা গান্ধীৰ নেতৃত্বত এই আন্দোলনত অংশ লোৱা বীৰ সেনানীসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত ভাৰত ত্যাগ আন্দোলনে বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। এই আন্দোলনৰ ফলতে দেশৰ নাগৰিকসকলে সমস্বৰে এখন দুৰ্নীতিমুক্ত, পৰিয়ালতান্ত্ৰিক ৰাজনীতি আৰু তোষামোদৰ পৰা মুক্ত ৰাষ্ট্ৰ গঠনৰ বাবে মাত মাতিছে বুলি তেওঁ মন্তব্য কৰে। ইফালে, আজিৰে পৰা ১৫আগষ্ট পৰ্যন্ত **হৰ ঘৰ তিৰংগা** অভিযান আৰম্ভ হৈছে। এই অভিযানৰ অংশ হিচাপে ১৩ আগষ্টত ৰাজধানী দিল্লীত সাংসদসকলৰ ত্ৰিৰংগ পতাকাসহ মটৰ চাইকেল সমদল উলিওৱা হ'ব। **হৰ ঘৰ তিৰংগা অভিযান** শুভাৰম্ভ কৰাৰ প্ৰাক্ ক্ষণত কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে দেশৰ নাগৰিকসকলৰ মাজত দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ ভাৱ পুনৰ উজ্জীৱিত কৰাৰ বাবে এই অভিযান ৰূপায়ন কৰা হৈছে।

ooooo

লোকসভাই আজি ৱাকফ সংশোধনী বিধেয়ক ২০২৪ চালি-জাৰি চোৱাৰ বাবে গঠন কৰিবলগীয়া যুটীয়া সমিতিৰ ২১-গৰাকী সদস্যৰ নাম সম্পৰ্কে এটা প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰস্তাৱ অনুসৰি এই সমিতিৰ সদস্যসকলৰ ভিতৰত জগদম্বিকা পাল, নিশিকান্ত ডুবে, তেজস্বী সূৰ্যা, দিলীপ শইকীয়া, গৌৰৱ গগৈ, ইমৰাণ মাছুদ, মহম্মদ জাভেদ, কল্যাণ বেনাৰ্জী আৰু আছাদুদ্দিন ওৱেছিক অন্তৰ্ভুক্ত কৰা হৈছে। সমিতিখনত ৰাজ্যসভাৰো ১০গৰাকী সদস্য থাকিব। নিম্ন সদনত প্ৰস্তাৱটো উত্থাপন কৰি সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে সমিতিখনে সংসদৰ পৰৱৰ্ত্তী অধিবেশনৰ প্ৰথম সপ্তাহৰ শেষৰ দিনা লোকসভাত প্ৰতিবেদন দাখিল কৰিব।

ৰাজ্যসভাইও সমিতিখনত অন্তৰ্ভুক্ত কৰিবলগীয়া উচ্চ সদনৰ ১০গৰাকী সদস্য সম্পৰ্কে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছে। সমিতিখনত অন্তৰ্ভুক্ত কৰিবলগীয়া সদস্যসকলৰ ভিতৰত ব্ৰীজলাল, সঞ্জয় সিং, ৰাধা মোহন দাস আগৰৱাল আৰু ভি বিজয়ছাই ৰেড্ডী অন্যতম।

ooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী   কিৰেণ ৰিজিজুৱে বাজেট অধিবেশনক যথেষ্ট ফলপ্ৰসূ বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি বাজেট অধিবেশন সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে এইবেলিৰ অধিবেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাত সুচাৰুৰূপে কাম-কাজ সম্পন্ন হয়। অধিবেশনৰ সময়ছোৱাত এদিনো কাম-কাজ সম্পূৰ্ণৰূপে বিঘ্নিত হোৱা নাই আৰু উভয় সদনৰ কাৰ্যক্ৰমণিকা সুচাৰুৰূপে সম্পন্ন হোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অধিবেশনৰ সময়ছোৱাত সংসদে বাজেটৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে আৰু কেইবাখনো বিধেয়ক গৃহীত কৰে।

০০০০০

ভাৰতীয় মল্লযোদ্ধা অমন শ্বেৰাৱট আজি পেৰিছ অলিম্পিকৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ ব্ৰঞ্জৰ পদকৰ যুঁজত অৱতীৰ্ণ হ'ব। খেলখন   ভাৰতীয় সময় অনুসৰি নিশা প্ৰায় ১০ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। ভাৰতৰ অদিতি অশোক আৰু দীক্ষা দাগৰে গল্ফৰ ৰাউণ্ড-টুত যুটীয়াভাৱে চতুৰ্দশ স্থান দখল কৰি তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে যদিও পদকৰ যুঁজৰ পৰা পাছ পৰি আছে। এথলেটিকছত আজি ভাৰতৰ পুৰুষ আৰু মহিলাৰ ফ'ৰ ইনটু ফ'ৰ হাণ্ডৰেড ৰীলে দৌৰৰ দল দুটাই হিট শিতানত পঞ্চম স্থান দখল কৰে যদিও ফাইনেলত স্থান নিশ্চিত কৰিবলৈ অসমৰ্থ হয়।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জেভলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাৰ সৈতে কথা পাতে আৰু পেৰিছ অলিম্পিকত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে খেলুৱৈগৰাকীক অভিনন্দন জনায়।

০০০০০

**সমাপ্ত**